# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-Mar-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
### Headlines
------------------

১। ৰাজ্যত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ। ঢেকিয়াজুলি, চামতাত অমিত শ্বাহ আৰু নাওবৈচাত মল্লিকাৰ্জুন খাৰ্গেৰ জনসভাত অংশগ্ৰহণ।

২। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট নিৰ্বাচনী জিলাসমূহত ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন সম্পন্ন।

৩। বিধানসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনৰ প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচীৰ আয়োজন। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ৰাংখেড়েত হ'বলগীয়া খেলত মুম্বাই ইণ্ডিয়ানছ - কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। দুয়োখন সভাত তেওঁ এন ডি এ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। শ্ৰীশ্বাহে সুৰক্ষিত আৰু বিকশিত অসম গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বাইট (অমিত শ্বাহ)

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি মাৰ্ঘেৰিটা আৰু জোনাইত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ বোকাজানত দলীয় প্ৰাৰ্থী সূৰ্য ৰংফাৰৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে বকলীয়াত ডিফু সমষ্টিৰ প্ৰাৰ্থী নিছ' তেৰাংপী আৰু হাওৰাঘাট সমষ্টিৰ প্ৰাৰ্থী লুনচিং টেৰণৰ হৈ প্ৰচাৰ সভাত অংশ লয়। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিনোদ হাজৰিকাই সমষ্টিটোৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। একেদৰে টিংখাং সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিমল বৰা আৰু ডিব্ৰুগড়ৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনে বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই পশ্চিম যোৰহাটৰ বৰআহাম কাঠনি গাঁৱত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে তিতাবৰত বুথ কাৰ্যকৰ্তা সন্মিলনত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বিৰোধী প্ৰাৰ্থীৰ হৈ ৰাজ্যত প্ৰচাৰ চলায়। শ্ৰীখাৰ্গেই লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ ফটাসুতি ঘাটত আয়োজিত এখন নিৰ্বাচনী সভাত কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

বাইট (খাৰ্গে)

অসম জাতীয় পৰিষদৰ সভাপতি তথা খোৱাং সমষ্টিৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি জকাই, হালধিবাৰী, কলাখোৱা আদি অঞ্চলত ব্যাপকভাৱে নিৰ্বাচনী প্ৰচাৰ চলায়। শিৱসাগৰত বিজেপি প্ৰাৰ্থী কুশল দুৱৰী আৰু ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে প্ৰচাৰ চলাই আছে। বিজেপি প্ৰাৰ্থীগৰাকীয়ে আজি শিৱসাগৰ নগৰৰ আটাইকেইটা ৱাৰ্ডত আঠখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

বাক্সা জিলাৰ মানাহ সমষ্টিত অন্যান্য ৰাজনৈতিক দলৰ লগতে বি পি এফ দলেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ইপিনে, গোৱালপাৰা পূব সমষ্টিৰ অগপ প্ৰাৰ্থী আব্দুল ৰহিম জিব্ৰানৰ সমৰ্থনত দলৰ নেতা বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই হেলাপাখিৰিত প্ৰচাৰ সভাত অংশ লয়।

ooooo

**মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ  অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে আৰু ৰাজ্যখন সকলো ক্ষেত্ৰৰ উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। শ্ৰীমোদীয়ে কয়, যে এনে উন্নয়নমূলক কাম-কাজৰ বাবেই ৰাজ্যখনৰ জনসাধাৰণে দ্বৈত ইঞ্জিনৰ এন ডি এক পৰৱৰ্তী ৫ বছৰৰ বাবে পুনৰ ক্ষমতালৈ অনাৰ সিদ্ধান্ত লৈছে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি সংশ্লিষ্ট নিৰ্বাচনী জিলাসমূহত ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় ৰেণ্ডমাইজেছন সম্পন্ন হয়। এই প্ৰক্ৰিয়া সমগ্ৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে সম্পন্ন কৰা হৈছে। প্ৰাৰ্থীসকলৰ প্ৰতিনিধিসকলৰ লগতে দেশৰ নিৰ্বাচন আয়োগে নিয়োজিত কৰা সাধাৰণ পৰ্যবেক্ষকৰ উপস্থিতিত ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া সমাপন কৰা হয়। ৰিটাৰ্ণিং বিষয়াই দ্বিতীয় ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া ই ভি এম মেনেজমেণ্ট ছফটৱেৰৰ জৰিয়তে সম্পন্ন কৰে। উল্লেখযোগ্য যে জিলাসমূহত সম্পন্ন কৰা সম্পূৰ্ণ ৰেণ্ডমাইজেছনৰ পাছত নিৰ্বাচনত ব্যৱহাৰযোগ্য মেচিনৰ সংখ্যা কিছু পৰিমাণে বৃদ্ধি পাইছে। সেই অনুসৰি ৪ টা সহায়ক ভোটগ্ৰহণ কেন্দ্ৰসহ মুঠ ৩১ হাজাৰ ৪৯০ টা কেন্দ্ৰৰ বাবে মুঠ ৪১ হাজাৰ ৩৫৩ টা বেলট ইউনিট, ৪৫ হাজাৰ ৫৭২ টা কণ্ট্ৰ'ল ইউনিট আৰু ৪৪ হাজাৰ ৭৬১ টা ভি ভি পেট আবণ্টনৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। মাজুলী নিৰ্বাচনী  জিলাতো ই ভি এম আৰু ভি ভি পেটৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ডমাইজেছন প্ৰক্ৰিয়া জিলা আয়ুক্তৰ কাৰ্যালয়ত সফলতাৰে সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছ প্ৰক্ৰিয়াৰ জৰিয়তে ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাবে মেচিনসমূহ নিৰ্ধাৰণ কৰা হয়। এই সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰাৰ্থীসকলৰ প্ৰতিনিধিসকলৰ উপস্থিতিত ডিজিটেল পদ্ধতিৰে মেচিনসমূহৰ ৰেণ্ডোমাইজেছন সম্পন্ন কৰা হয়।

ooooo

সমাগত বিধানসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনে প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে তামুলপুৰ জিলা প্ৰশাসনে আজি তামুলপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ত এখন গুৰুত্বপূৰ্ণ  সজাগতা সভা অনুষ্ঠিত কৰে। গোলাঘাট ভোটাৰ নিৰ্বাচনী শিক্ষা আৰু অংশগ্ৰহণ কোষে আজি ভোটদানৰ গুৰুত্ব তথা ভোটৰ হাৰ বৃদ্ধিৰ লক্ষ্যৰে সজাগতামূলক চাইকেল সমদলৰ আয়োজন কৰে। জিলা আয়ুক্তগৰাকীয়ে পতাকা জোকাৰি এই সমদলৰ শুভাৰম্ভ কৰে। এই সমদলত পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে অংশগ্ৰহণ কৰে। সংহত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদৰ পৰা আৰম্ভ হৈ পুলিবৰত শেষ হোৱা এই সমদলত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰশিক্ষাৰ্থী, জিলা ক্ৰীড়া সংস্থাৰ সদস্য, অঙ্গনবাড়ী কৰ্মী, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ কৰ্মকৰ্তা আৰু জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে। যোৰহাট নিৰ্বাচনী জিলাতো ভোটাৰ নিৰ্বাচনী শিক্ষা আৰু অংশগ্ৰহণ কোষৰ উদ্যোগত ভোটাৰৰ সজাগতা বৃদ্ধিৰ বাবে ষ্টিকাৰ প্ৰচাৰ অভিযান চলোৱা হয়। নিৰ্বাচনী জিলাখনত ১০০ শতাংশ ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজহুৱা স্থান, যান-বাহন আদিত

ষ্টিকাৰ লগোৱা হয়। ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত নিৰ্বাচন সম্পৰ্কীয় এখন  বৈঠকত জিলাখনৰ উচ্চপদস্থ আৰক্ষী বিষয়া আৰু চি আৰ পি এফৰ বিষয়ববীয়া উপস্থিত থাকে। সভাত যোৰহাট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, ১১৯ নম্বৰ বেটেলিয়ন চি আৰ পি এফৰ কমাণ্ডেণ্টৰ সৈতে জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনী নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে লগতে উচ্চ পদস্থ আৰক্ষী বিষয়া আৰু চি আৰ পি এফৰ বিষয়াসকলৰ সৈতে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ত স্থাপন কৰা টিয়ক বিধানসভা সমষ্টিৰ ভোটগণনা কেন্দ্ৰতো পৰিদৰ্শন কৰে। কেন্দ্ৰটো পৰিদৰ্শন কৰি জিলা আয়ুক্ত আৰু আৰক্ষী, চি আৰ পি এফৰ বিষয়াসকলে নিৰ্বাচনৰ বাবে সাজু কৰি তোলা ই ভি এম, ষ্ট্ৰং ৰূম, চি চি টিভি সংযোগ আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰস্তুত কৰা বিভিন্ন কক্ষসমূহ নিৰীক্ষণ কৰে।

নগাওঁ জিলাতো ভোটাৰৰ মাজত সজাগতাৰ বাবে জিলা প্ৰশাসনে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰে।

ooooo

প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোজনাই উত্তৰ-পূব ভাৰতৰ বহু অঞ্চলৰ বাসিন্দাক উপকৃত কৰিছে। উত্তৰ-পূৰ্বাঞ্চলত এই আঁচনিৰ সদব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। আকাশবাণী যোগে প্ৰচাৰিত **মন কী বাত** অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা উল্লেখ কৰে। এই ক্ষেত্ৰত ত্ৰিপুৰাৰ উদাহৰণ দি তেওঁ কয়, যে ৰাজ্যখনৰ ৰিয়াং জনজাতিয়ে বাস কৰা বহু গাঁৱত বিজুলী সমস্যা আছিল। কিন্তু বৰ্তমান কেতবোৰ সৌৰ প্ৰকল্পই গাঁওসমূহত এই সমস্যা দূৰ কৰাত সহায় কৰিছে। শ্ৰীমোদীয়ে কয়, যে দেশত সৌৰশক্তি বিপ্লৱৰ এনে উদাহৰণ আছে। তেওঁ এই বিপ্লৱত যোগদান কৰাৰ লগতে আনকো উৎসাহিত কৰিবলৈ সকলোকে আহ্বান জনায়। মন কী বাতৰ এই ১৩২ সংখ্যক খণ্ডত দেশ-বিদেশৰ লোকৰ সৈতে মত-বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰে।

ooooo

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ বিচাৰৰ বাবে গঠন কৰা দ্ৰুত আদালতখনৰ কাম-কাজ কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালত চৌহদত খালী হৈ থকা ৩ নম্বৰ আদালতখনতে শীঘ্ৰে আৰম্ভ হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ে কাম-কাজ আৰম্ভ কৰাৰ স্বাৰ্থত ন্যায়াধীশ শৰ্মিলা ভূঞাক আদালতখনৰ দায়িত্ব গ্ৰহণৰ বাবে বাক্সাৰ পৰা গুৱাহাটীলৈ বদলি কৰিছে। ন্যায়াধীশগৰাকীক কাইলৈৰ ভিতৰত গুৱাহাটীত যোগদানৰ বাবে নিৰ্দেশ দিয়া হৈছে। ন্যায়াধীশ ভূঞাই যোগদান কৰাৰ পাছত আদালতখনৰ কাম-কাজ আৰম্ভ হ'ব।

ooooo

হজ কমিটীয়ে চলিত বৰ্ষৰ হজ যাত্ৰাৰ বাবে বাছনি লাভ কৰা যাত্ৰীসকলক ৩১ মাৰ্চৰ ভিতৰত যাৱতীয় ব্যয়ৰ বাকী ধন জমা দিয়াৰ নিৰ্দেশ দিছে। এনে কৰাত ব্যৰ্থ হোৱা যাত্ৰীসকলৰ বিমান টিকট বুকিং কৰিব পৰা নাযাব বুলি কমিটীয়ে স্পষ্ট কৰি দিছে। অসম, মেঘালয়, নাগালেণ্ডকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ যুটীয়া ৰাজ্যিক হজ কমিটীৰ এগৰাকী বিষয়াই প্ৰকাশ কৰা মতে গুৱাহাটীৰ পৰা ৰাওনা হ'বলগীয়া যাত্ৰীসকলে যাত্ৰাৰ বাবদ সৰ্বাধিক ৩ লাখ ৮৯ হাজাৰ ৮৫০ টকা বহন কৰিব লাগিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ৱাংখেড়েত হ'বলগীয়া খেলত মুম্বাই ইণ্ডিয়ানছ - কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাৰ পৰা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কাইলৈ গুৱাহাটীত হ'বলগীয়া আই পি এলৰ খেলত ৰাজস্থান ৰয়েলছ-চেন্নাই চুপাৰ কিংছৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত